# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-October-2026
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

### Headlines
-------------------

১।  কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামৰ নতুন পেভিলিয়ন উদ্বোধন।

২।  ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে আজি অসমৰ পৰা গুজৰাটৰ একতা নগৰলৈ বাইক ৰেলীৰ শুভ উদ্বোধন।

৩।  মহালয়া উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পূৰ্ব পুৰুষলৈ শ্ৰদ্ধা তৰ্পণ।

**আৰু**

৪।  ৰাজ্যত খেল মহাৰনৰ বাবে ১০ লাখ ৭৫ হাজাৰ ৫৮৯ গৰাকী যুৱক-যুৱতীৰ নাম পঞ্জীয়ন।

0000000

——কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামত নতুনকৈ সজাই তোলা পেভিলিয়নৰ শুভ উদ্বোধন কৰে। পেভিলিয়নটো উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই নতুন আন্তঃগাথনিয়ে ডিব্ৰুগড়ৰ ক্ৰীড়াক্ষেত্ৰখনক অধিক শক্তিশালী কৰাৰ লগতে উদীয়মান খেলুৱৈসকলক নিজৰ প্ৰতিভা বিকাশৰ বাবে উন্নত পৰিবেশ প্ৰদান কৰিব।

(বাইট-সোনোৱাল)

এই পেভিলিয়ন নিৰ্মাণৰ বাবে অইল ইণ্ডিয়া লিমিটেডে কৰ্পৰেট সামাজিক দায়বদ্ধতা পুঁজিৰ অধীনত ২৪ লাখ ৪৫ হাজাৰ টকা আগবঢ়াইছে। অনুষ্ঠানত বিধায়ক তথা অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈ, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সচিব দেৱজিত লন আৰু অসম পেট্ৰোকেমিকেলচ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা প্ৰমুখ্য ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত উপস্থিত থাকি দেৱজিত লন শইকীয়াই ডিব্ৰুগড়ত ক্ৰিকেটৰ নতুন দিশ সূচনা হোৱাৰ লগতে নতুন খেলুৱৈৰ সৃষ্টি হ'ব বুলিও আশা প্ৰকাশ কৰে।

000000

ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে আজি অসম আৰক্ষীৰ উদ্যোগত আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ আৰক্ষীৰ সহযোগত অসমৰ পৰা গুজৰাটৰ একতা নগৰলৈ বাইক ৰেলী উলিওৱা হয়। কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বাহিনী চৌহদৰ পৰা উলিওৱা এই বাইক ৰেলী অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে উদ্বোধন কৰে। উল্লেখযোগ্য যে চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে প্ৰতি বছৰে ৩১ অক্টোবৰত একতা দিৱস পালন কৰা হয়। ইয়াৰে অংশ হিচাপে আজি কাহিলীপাৰাৰ পৰা গুজৰাটলৈ এই বাইক ৰেলী উলিওৱা হয়। ড্ৰাগ্‌ছমুক্ত সমাজ আৰু নিচামুক্ত সজাগতাৰ উদ্দেশ্যে এই বাইক ৰেলী উলিওৱা হৈছে। এই অনুষ্ঠানত সদ্যসমাপ্ত এছিয়ান গেম্‌ছত

স্বৰ্ণ পদক বিজয়ী লাভলীনা বৰগোঁহাই উপস্থিত আছিল। এই বাইক ৰেলীত অসমৰ ৯ গৰাকী লোকৰ লগতে উত্তৰ-পূবৰ ৬ খন ৰাজ্যৰ মুঠ ৬৩ গৰাকী আৰক্ষীৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি লাভলীনা বৰগোঁহাইয়ে এনেদৰে কয়-

(বাইট-লাভলীনা)

০০০০০০০

আজি মহালয়া। মহালয়াৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস কৰা হয়। ইয়াৰ লগে লগেই পিতৃ পক্ষৰ সমাপ্তি ঘটি দেৱী পক্ষৰ সূচনা হয়। কাইলৈ নৱৰাত্ৰিৰ প্ৰথম দিনটোত দেৱীক শৈল্যপুত্ৰীৰ ৰূপত পূজা দি শাৰদীয় দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হ'ব। এইবাৰ দেৱীয়ে ঘোঁৰাত আগমন কৰিব আৰু নৌকাৰে গমন কৰিব। মহালয়া উপলক্ষে পিতৃ পুৰুষৰ শ্ৰাদ্ধ পাৰ্বন আদি কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ নৈ, জান-জুৰি ঘাটত পূৰ্বপুৰুষৰ আত্মাৰ সদগতিৰ বাবে ভক্তসকলে মহালয়াৰ পৱিত্ৰ ক্ষণত শ্ৰাদ্ধ আগবঢ়ায়।

বৰপেটা জিলাৰ হাউলী বৰপেটা ৰোড পূজা উদযাপন সমিতিৰ উদ্যোগত মহালয়া পালন কৰা হয়। শতবৰ্ষ গৰকা হাউলী মধ্যবজাৰ সাৰ্বজনীন দুৰ্গাপূজা উদযাপন সমিতিৰ উদ্যোগত আজি আগমনি উৎসৱ নামেৰে মহালয়া পালন কৰা হয়। এই উপলক্ষে পুৱা প্ৰভাত ফেৰী, শিশু আৰু মহিলাৰ মাজত স্ত্ৰোত পাঠ, দুৰ্গা আৰাধনা গীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে সংগীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

শিলচৰৰ বৰাক নদীৰ পাৰৰ অন্নপূৰ্ণা ঘাট, সদৰ ঘাটকে ধৰি আন আন নদীৰ পাৰত পুৱা পিতৃপুৰুষৰ উদ্দেশ্যে তৰ্পণ কৰা হয়।

ডিব্ৰুগড় চহৰৰ মৰাণ, খোৱাং, বৰবৰুৱা, নামৰূপ, নাহৰকটীয়া, দুলীয়াজান, লাহৱাল, টেঙাখাট, দিকমকে ধৰি বিভিন্ন ঠাইত শোভাযাত্ৰা উলিওৱাৰ লগতে পিতৃ পুৰুষৰ স্মৰণত ব্ৰহ্মপুত্ৰত পূজা-অৰ্চনা কৰা হয়।

যোৰহাট জিলাৰ গড় আলীত পুৱা তিনি বজাৰ পৰাই মহালয়া উপলক্ষে লোকাৰণ্য হৈ পৰে। গুৱাহাটীৰ উজানবজাৰৰ ব্ৰহ্মপুত্ৰ ঘাটটো অগণন ভক্তই ভিৰ কৰে।

মহালয়া উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ ওলগ জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ শাৰদীয় দুৰ্গোৎসৱৰ আগমনৰ বতৰা কঢ়িয়াই অনা এই শুভ ক্ষণে সকলোৰে জীৱনলৈ মংগল বাৰ্তা কঢ়িয়াই অনাৰ কামনা কৰে।

কাইলৈ নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা শাৰদীয় দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হ'ব।

০০০০০০

ৰাজ্যত খেল মহাৰণৰ তৃতীয় সংস্কৰণৰ বাবে এতিয়ালৈকে ১০ লাখ ৭৫ হাজাৰ ৫৮৯ গৰাকী যুৱক-যুৱতীয়ে নাম পঞ্জীয়ন কৰিছে। ইয়াৰে ভিতৰত ৬ লাখ ৩৩ হাজাৰ ১৪৮ গৰাকী যুৱক আৰু ৪ লাখ ৪২ হাজাৰ ৪৪১ গৰাকী যুৱতী আছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে আজি সামাজিক মাধ্যমযোগে এইকথা সদৰি কৰে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে পঞ্জীয়নৰ এই পৰিসংখ্যাই ৰাজ্যৰ প্ৰতিভাবান যুৱ খেলুৱৈসকলে নিজৰ দক্ষতা প্ৰদৰ্শনৰ জৰিয়তে ক্ৰীড়া জগতত ভাল প্ৰদৰ্শনৰ বাবে চলোৱা প্ৰস্তুতিৰ সুন্দৰ ছবি উপস্থাপন কৰা বুলিও প্ৰকাশ কৰে।

০০০০০০

মাজুলী জিলা প্ৰশাসনে মহিলাৰ সবলীকৰণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা প্ৰশাসনে মহিলা ৰাজমিস্ত্ৰীৰ পাছত এইবাৰ মুখা শিল্প নিৰ্মাণৰ বাবে বিশেষ পদক্ষেপ লৈছে। এনে পদক্ষেপৰ অংশ হিচাপে জিলা প্ৰশাসনৰ উদ্যোগত নামনি মাজুলীৰ ভকতচাপৰিৰ মদাৰগুৰি প্ৰাথমিক বিদ্যালয়ত আজিৰে পৰা ৭ দিনীয়াকৈ মুখা শিল্প নিৰ্মাণৰ কৰ্মশালা অনুষ্ঠিত হৈছে। এই কৰ্মশালাত অঞ্চলটোৰ প্ৰায় ৪০ গৰাকী মহিলাই প্ৰশিক্ষণ লৈছে। কৰ্মশালাৰ

শুভাৰম্ভণি অনুষ্ঠানত আজি জিলা আয়ুক্ত ৰাতুল চন্দ্র পাঠক আৰু আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনী উপস্থিত থাকে।

০০০০০০

বিশ্বনাথ জিলাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মহাৰজত জয়ন্তী ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এই মহাৰজত জয়ন্তীৰ আজি অন্তিম দিনৰ কাৰ্যসূচী হিচাপে পৰিৰশে নিকাকৰন, প্ৰাতঃভ্ৰমণ আৰু বাৰেৰহনীয়া সাংস্কৃতিক  ভাগৱত ভ্ৰমণ শোভাযাত্ৰা উলিওৱা হয়। এই সাংস্কৃতিক শোভাযাত্ৰা শংকৰী সংস্কৃতি গৱেষণা পৰিষদৰ সভাপতি পৱিত্ৰ প্ৰাণ বৰাই উদ্বোধন কৰে। অন্তিম দিনৰ কাৰ্যসূচীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, বিধায়ক পল্লৱ লোচন দাসৰ লগতে সহস্ৰাধিকে অংশগ্ৰহণ কৰে।

০০০০০০০

———আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস। মানসিক স্বাস্থ্য সন্দৰ্ভত শিক্ষা, সজাগতা সৃষ্টি আৰু মানসিক স্বাস্থ্য বা মানসিক ৰোগৰ প্ৰতি থকা সামাজিক সংকোচবোধৰ বিৰুদ্ধে জনমত গঢ়ি তোলাৰ উদ্দেশ্যে বিশ্বজুৰি প্ৰতি ১০ অক্টোবৰত এই দিৱস পালন কৰা হয়। বিশ্ব মানসিক স্বাস্থ্য সংস্থাৰ উদ্যোগত ১৯৯২ চনত প্ৰথমবাৰ এই দিৱস পালন কৰা হৈছিল। এইবেলি এই দিৱসৰ বিষয়বস্তু হৈছে – বাস্তৱ অভিজ্ঞতাৰ বিষয়ে শুনা, প্ৰকৃত কণ্ঠ, প্ৰকৃত পৰিৱৰ্তন। এই বিষয়বস্তুৱে মানসিক সমস্যাৰ সন্মুখীন হোৱা লোকসকলৰ বাস্তৱ অভিজ্ঞতাৰ বিষয়ে অৱগত হোৱাৰ লগতে তেওঁলোকক যতন আগবঢ়োৱাৰ ওপৰত আলোকপাত কৰে। বিশ্ব মানসিক স্বাস্থ্য দিৱস উপলক্ষে স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে সামাজিক মাধ্যমযোগে দিয়া এটা  বাৰ্তাত শাৰিৰীক সুস্থতাৰ দৰে মানসিক সুস্থতাও আমাৰ জীৱনৰ অবিচ্ছেদ্য অংশ বুলি উল্লেখ কৰে। মানসিক স্বাস্থ্যৰ যত্ন লোৱা, মনৰ কথা মুকলিকৈ প্ৰকাশ কৰা, আৰু আনৰ অনুভূতিক সহমৰ্মিতাৰে বুজিবলৈ চেষ্টা কৰাটো প্ৰতিগৰাকী ব্যক্তিৰ দায়িত্ব বুলিও তেওঁ কয়। তেওঁ লগতে আজিৰ দিনটোৰ পৰাই মানসিক স্বাস্থ্যক লৈ সংকোচ বা মানসিক ৰোগৰ বলি হোৱা লোকৰ প্ৰতি বৈষম্য নকৰাকৈ এখন সমাজ গঢ়াৰ সংকল্প লবলৈ আহ্বান জনায়।

দৰং জিলাত আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস উপলক্ষে বেচৰকাৰী সংস্থা দ্যা মঙলদৈ ক্লাৱৰ উদ্যোগত সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ গুৱাহাটীত কৰ্মৰত মনোৰোগ বিশেষজ্ঞ ডাঃ নাহিদ সুৰেইয়া ইছলামে শিশুৰ পৰা বৃদ্ধলৈ সকলোৰে মানসিক স্বাস্থ্য অটুত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, মহিলা আৰু কেইবাগৰাকীও বয়োজ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰে।

শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জিলা মানসিক স্বাস্থ্য কাৰ্যসূচীৰ ভূমিকাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে মানসিক স্বাস্থ্য  শক্তিশালী কৰা, মানসিক সমস্যাৰ প্ৰাৰম্ভিক পৰ্যায়তে চিনাক্তকৰণ, পৰামৰ্শ আৰু প্ৰয়োজন অনুসৰি উপযুক্ত চিকিৎসা সেৱালৈ প্ৰেৰণৰ ব্যৱস্থা উন্নত কৰাত গুৰুত্ব দিয়া হয়। অনুষ্ঠানত মানসিক ৰোগৰ বিষয়ে সমাজত প্ৰচলিত ভ্ৰান্ত ধাৰণা আৰু সামাজিক কলংক দূৰ কৰাৰ লগতে মানসিক সমস্যাত ভূগি থকা লোকসকলক নিসংকোচে পেছাদাৰী সহায় গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিবলৈ আহ্বান জনায়।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত বিশ্ব পৰিভ্ৰমী পক্ষী দিৱস উপলক্ষে এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। বিশিষ্ট পক্ষীবিদ আৰু বন্যপ্ৰাণী বিশেষজ্ঞ ডং নীলোৎপল মহন্তৰ সৈতে হোৱা এই সাক্ষাৎকাৰ গ্ৰহণ কৰিব ডং মনস্বিনী মহন্তই। শ্ৰোতাসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফেচবুক পেজৰ জৰিয়তেও অনুষ্ঠানটো শুনিবলৈ পাব।

০০০০০০

সমাপ্ত